# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-April-2026 **Time :** 09.00 Hrs

***Assamese Morning Bulletin***

## HEADLINES

১। বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ অন্ত পৰিবলৈ মাজত মাথো ৪ টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত।

২। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন,ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি তেজস্বী সূৰ্য্য, বিৰোধী ঐক্যমঞ্চৰ হৈ অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ আজি কেইবাঠাইতো প্ৰচাৰ অভিযান।

৩। চিৰাং জিলাৰ দুটা সমষ্টিত আজি আৰু কাইলৈ ডাকযোগে ভোটদান।

৪। ভাৰতত ৰন্ধন গেছৰ যোগান সম্প্ৰতি সুস্থিৰ হৈ আছে বুলি ভাৰতীয় তেল নিগমৰ দাবী।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা এখন খেলত চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে পাঞ্জাৱ কিংছৰ ৫ উইকেটত জয়লাভ।

oooooo

CAMPAIGN / RNU ( (04-04-2026) MORN

ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ অন্ত পৰিবলৈ মাজত মাথো ৪ টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক আৰু বিৰোধী দলৰ প্ৰাৰ্থীসকলে জনসভা, ৰোড শ্ব'ৰ জৰিয়তে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। তাৰকা প্ৰচাৰকসকলেও দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি কৰিমগঞ্জৰ ৰামকৃষ্ণ নগৰ আৰু কাছাৰ জিলাৰ লক্ষীপুৰ বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ দুখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ গ্ৰহণ কৰিব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে কালি কমলপুৰ, মঙলদৈ আৰু নিউ গুৱাহাটী সমষ্টিত প্ৰচাৰ চলায়। কালিৰ নিৰ্বাচনী প্ৰচাৰ সভাতে নীতিন নবীনে অসমত তৃতীয়বাৰৰ বাবে বিজেপি মিত্ৰজোঁটে চৰকাৰ গঠন কৰিব বুলি আশা ব্যক্ত কৰে।

(বাইট)

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি ৩ খন প্ৰচাৰ সভাত ভাষণ দিয়ে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত বৰপেটা আৰু বৰছলাত প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি পাঁচটাকৈ নিৰ্বাচনী প্ৰচাৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী প্ৰচাৰ সূচী অনুসৰি পুৱা ১১ বজাত মাহমৰা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। মাহমৰা সভাখনৰ পাছত হিমন্ত বিশ্ব শৰ্মাই ক্ৰমাগতভাৱে সোণাৰী, নাজিৰা আৰু মৰিয়ণি সমষ্টিত ৩খন প্ৰচাৰ সভাত অংশ গ্ৰহণ কৰিব। সন্ধ্যা বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে যোৰহাটৰ ৰাজপথত ৰোড শ্ব'ত ভাগ ল'ব। ড০ শৰ্মাই কালি

বৰাক উপত্যকাত কেইবাখনো নিৰ্বাচনী সভাত অংশ লৈ এইবাৰৰ নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে আশানুৰূপ ফলাফল লাভ কৰিব বুলি আস্থা ব্যক্ত কৰে।

অৰুণাচলৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পেমা খান্দুৱেও ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ বাবে দলটোৰ প্ৰাৰ্থীহৈ ধাৰাবাহিকভাৱে প্ৰচাৰ চলায় আহিছে। অৰুণাচলৰ মুখ্যমন্ত্ৰীগৰাকীয়ে আজি নাওবৈচা, ৰঙানদী আৰু লক্ষীমপুৰ সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ তিনিখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি তেজস্বী সূৰ্য্যই আজি ৰাজ্যৰ দুটা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাব।দিনৰ ভাগত গোৱালপাৰা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ লগতে সন্ধ্যা দিছপুৰ সমষ্টিত নিৰ্বাচনী প্ৰচাৰত অংশ গ্ৰহণ কৰিব।

বিজেপিৰ  জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দিনৰ ভাগত দুলীয়াজান বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে সন্ধ্যা গুৱাহাটী চেণ্ট্ৰেল বিধানসভা সমষ্টিত অংশগ্ৰহণ কৰিব।

মুখ্য বিৰোধী দল কংগ্ৰেছকে ধৰি অন্যান্য দলৰ প্ৰাৰ্থীসকলেও সমষ্টিয়ে সমষ্টিয়ে গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়েও আজি চাৰিখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। পুৱাৰ ভাগতে পৰ্বতঝোৰাত, দুপৰীয়া ভাগত  গৌৰীপুৰ আৰু বিলাসীপাৰাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। একেদৰে বিয়লিৰ ভাগত নলবাৰীত গৌৰৱ গগৈয়ে দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৰাকীয়ে কালি সন্ধিয়াৰ ভাগত গুৱাহাটীত ৰাজগড়ৰ পৰা ভঙাগড় গণেশগুৰি হৈ ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। নিৰ্বাচনী প্ৰচাৰ সভাতে কংগ্ৰেছৰ সভাপতিগৰাকীয়ে কংগ্ৰেছ দল শাসনলৈ আহিলে ভূমিহীন লোকক মাটিৰ পট্টা দিয়াৰ লগতে কেইবাটাও নিৰ্বাচনী প্ৰতিশ্ৰুতি দিয়ে।

(বাইট)

ইপিনে সৰুপথাৰত বিৰোধী মিত্ৰজোঁটৰ হৈ কালি অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

0000000

৯ এপ্ৰিলত হ'বলগীয়া বিধানসভা নিৰ্বাচনত চিৰাং জিলাৰ দুটা সমষ্টিৰ বাবে ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সৈতে জড়িত বিষয়া কৰ্মচাৰী, পলিং বিষয়া আৰু আৰক্ষীৰ প'ষ্টেল ভোটদানৰ ক্ষেত্ৰত জিলা নিৰ্বাচনী বিভাগে পূৰ্বৰ নিৰ্দেশনাৰ আংশিক সংশোধনী ঘটায় নতুন নিৰ্দেশনা জাৰি কৰিছে। ডাক ভোট প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলো বিষয়া, কৰ্মচাৰী আৰু ভোটগ্ৰহণ কৰ্মীক সংশোধিত ব্যৱস্থা অনুসৰি ভোটদানৰ বাবে উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। সেই অনুসৰি আৰক্ষীৰ বাবে ছিডলী-চিৰাং আৰু বিজনী বিধানসভা সমষ্টিৰ ভোটাৰৰ বাবে আজি আৰু কাইলৈ পুৱা ৯ বজাৰ পৰা বিয়লি ৫ বজালৈ পুলিচ ৰিজাৰ্ভত ডাক ভোট হ'ব। আন সমষ্টিৰ ভোটাৰৰ বাবে এই দুদিনতে পুৱা ৯ বজাৰ পৰা আবেলি ৫ বজালৈ পুলিচ ৰিজাৰ্ভতে ডাক ভোট হ'ব। একেদৰে ছিডলী-চিৰাং বিধানসভা সমষ্টিৰ নিৰ্বাচনী কৰ্ত্যবত জড়িত বিষয়াসকলে  কাইলৈ আৰু পৰহিলৈ ইউ এন ব্ৰহ্ম চিনিয়ৰ ছেকেণ্ডেৰী স্কুলত পুৱা ১০ বজাৰ পৰা ভোটদান কৰিব পাৰিব। বিজনী বিধানসভা সমষ্টিৰ নিৰ্বাচনী কৰ্ত্যবত জড়িত বিষয়াসকলে  কাইলৈ আৰু পৰহিলৈ বিজনী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত পুৱা ১০ বজাৰ পৰা ভোটদান কৰিব পাৰিব।

0000000

SAMASTIR ABALAKON (04-04-2026, MRN.)

অসম বিধানসভাৰ  নিৰ্বাচনত  কামৰূপ জিলাৰ ছয়টা বিধানসভা সমষ্টিত  ক্ৰমে হাজো-শুৱালকুছি বকো-ছয়গাঁও, পলাশবাৰী, ৰঙিয়া, কমলপুৰ আৰু ছমৰীয়া বিধানসভা সমষ্টিত মুঠ ৩১ গৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়াইছে।

২৭ নং ছমৰীয়া সমষ্টিত এ আই ইউ ডি এফ দল মনোনীত প্ৰাৰ্থী ইমদাদ হুছেইন, অসম গণ পৰিষদৰ মনোনীত প্ৰাৰ্থী মঃ নুৰুল ইছলাম, ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদ, এছ ইউ চি আই (চি)ৰ মনোনীত প্ৰাৰ্থী দেলোৱাৰা হুছেইন আৰু নিৰ্দলীয় প্ৰাৰ্থী নৰুল ইছলাম আৰু মহম্মদ চুমেইৰ লস্কৰে প্ৰাৰ্থী আগবঢ়ায়ছে। ছমৰীয়া বিধানসভা নিৰ্বাচনত এইবেলি ২৪৭৬৪০ গৰাকী ভোটাৰ আছে। ইয়াৰে ১২৬৫৩৯ পুৰুষ আৰু ১২১০৯৬ গৰাকী মহিলা ভোটাৰ। ছমৰীয়া বিধানসভা সমষ্টিত অসম গণ পৰিষদৰ প্ৰাৰ্থী আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৰাকীৰ মাজৰ মূল প্ৰতিদ্বন্দ্বিতা হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

২৮ নং বকো-ছয়গাঁও বিধানসভা সমষ্টিত নেচনেল পিপলছ পাৰ্টীৰ প্ৰাৰ্থী গানছেং বি চাংমা, ইউনাইটেড পিপলছ পাৰ্টী লিবাৰেলৰ প্ৰাৰ্থী মনোজ বসুমতাৰী, ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৰমেন সিং ৰাভা, ভাৰতীয় জনতা পাৰ্টীৰ ৰাজু মেচ, সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ ভোগলাল ৰাভা আৰু নিৰ্দলীয় প্ৰাৰ্থী যমুনা ৰাভা আৰু লাৱণ্য বড়োয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বকো ছয়গাঁও বিধানসভা সমষ্টিত এইবেলি ১৯৬৫৬০ গৰাকী ভোটাৰ আছে। ইয়াৰে ৯৭২৮২ পুৰুষ আৰু ৯৯১৭৮ গৰাকী মহিলা। বিজেপিৰ প্ৰাৰ্থী আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৰাকীৰ মাজৰ মূল প্ৰতিদ্বন্দ্বিতা হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

২৯ নং পলাশবাৰী বিধানসভা সমষ্টিত ৭ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। প্ৰতিদ্বন্দী প্ৰাৰ্থী কেইগৰাকী হল- আম আদমী পাৰ্টীৰ এলভিন বৰুৱা, ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্য, অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী পংকজ লোচন গোস্বামী, সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ বিকাশ নাথ আৰু নিৰ্দলীয় প্ৰাৰ্থী জয়ন্ত মহন্ত আৰু যতীন মালী। পলাশবাৰী বিধানসভা সমষ্টিত এইবেলি ২১৭২৫৮ গৰাকী ভোটাৰ আছে। ইয়াৰে ১০৫৯০৭ পুৰুষ আৰু ১১১৩৫১ গৰাকী মহিলা। আগন্তুক বিধানসভা নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৰাকীৰ মাজৰ মূল প্ৰতিদ্বন্দ্বিতা হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

৩০ নং হাজো-শুৱালকুছি বিধানসভা সমষ্টিত ৫ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দিতা আগবঢ়াইছে। প্ৰতিদ্বন্দী প্ৰাৰ্থী কেইগৰাকী হল- ভাৰতীয় জাতীয় কংগ্ৰেছৰ নন্দিতা দাস, অসম গণ পৰিষদৰ প্ৰকাশ চন্দ্ৰ দাস, সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ ৰজী আহমেদ আৰু নিৰ্দলীয় প্ৰাৰ্থী ৰাজু পাটোৱাৰী আৰু সিদ্ধাৰ্থ দাস। হাজো শুৱালকুছি বিধানসভা সমষ্টিত এইবেলি ১৯৪০৮১ গৰাকী ভোটাৰ আছে। ইয়াৰে ৯৭৫৭৫ পুৰুষ আৰু ৯৬৫০৩ গৰাকী মহিলা। আগন্তুক বিধানসভা নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৰাকীৰ মাজৰ মূল প্ৰতিদ্বন্দ্বিতা হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

৩১ নং ৰঙিয়া বিধানসভা সমষ্টিত ২ গৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। প্ৰতিদ্বন্দী প্ৰাৰ্থী দুগৰাকী হল- ভাৰতীয় জনতা পাৰ্টীৰ ভবেশ কলিতা আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰাণজিৎ চৌধুৰী। ৰঙিয়া বিধানসভা সমষ্টিত এইবেলি ২১০৫৭২ গৰাকী ভোটাৰ আছে। ইয়াৰে ১০৭৩৩৯ পুৰুষ আৰু ১০৩২৩২ গৰাকী মহিলা। আগন্তুক বিধানসভা নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৰাকীৰ মাজৰ মূল প্ৰতিদ্বন্দ্বিতা হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

৩২ নং কমলপুৰ বিধানসভা সমষ্টিত ৫ গৰাকী প্ৰাৰ্থীয়ে

প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ভাৰতীয় জনতা পাৰ্টীৰ দিগন্ত কলিতা, ভাৰতীয় জাতীয় কংগ্ৰেছৰ সত্যব্ৰত কলিতা, এছ ইউ চি আই (কমিউনিষ্ট) পাৰ্টিৰ শিশিৰ কুমাৰ কাকতি আৰু নিৰ্দলীয় প্ৰাৰ্থী হিচাপে অংকুৰ দাস আৰু নৱ কুমাৰ নাথে নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়াব। কমলপুৰ বিধানসভা সমষ্টিত এইবেলি ১৮৬৩৮৭ গৰাকী ভোটাৰ আছে। ইয়াৰে ৯৩০৮৪ পুৰুষ আৰু ৯২৩০২ গৰাকী মহিলা। আগন্তুক বিধানসভা নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৰাকীৰ মাজৰ মূল প্ৰতিদ্বন্দ্বিতা হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

মধ্যপ্ৰাচ্যৰ যুদ্ধ পৰিস্থিতিৰ ফলস্বৰূপে বিশ্বৰ শক্তিখণ্ডত ব্যাপক প্ৰভাৱ পৰাৰ সময়তে ভাৰতত ৰন্ধন গেছৰ যোগান সম্প্ৰতি সুস্থিৰ হৈ আছে বুলি ভাৰতীয় তেল নিগমে দাবী কৰিছে। নিগমৰ গুৱাহাটীত থকা মুখ্য কাৰ্যালয়ে কালি এটা বিবৃতিযোগে কয়, যে ভাৰতীয় তেল নিগমে ঘৰুৱা ৰন্ধন গেছক অগ্ৰাধিকাৰ দি যোগান অব্যাহত ৰাখিছে। পশ্চিম এছিয়াৰ যুদ্ধ পৰিস্থিতিৰ বাবে কিছুদিন পূৰ্বে ৰন্ধন গেছৰ যোগানৰ ক্ষেত্ৰত কিছু সমস্যাৰ সৃষ্টি হৈছিল যদিও বৰ্তমান ইয়াৰ যোগান নিয়মীয়াভাৱে হৈ আছে বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে। অসমলৈ প্ৰতিদিনে প্ৰায় ১ লাখ

ৰন্ধন গেছৰ চিলিণ্ডাৰ যোগান ধৰা হৈছে বুলি উল্লেখ কৰি বুকিঙৰ ক্ষেত্ৰত গ্ৰাহকসকলক এছ্ এম এছ্ আৰু আই ভি আৰ এছৰ দৰে ডিজিটেল মাধ্যম ব্যৱহাৰ কৰিবলৈ কোৱা হৈছে।

ইপিনে, কেন্দ্ৰীয় চৰকাৰে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক ৰন্ধন গেছ্ আৰু অন্য পেট্ৰ'লজাত সামগ্ৰীৰ অবৈধ মজুতকৰণ আৰু ক'লা বজাৰ নিয়ন্ত্ৰণ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সচিব ডং নীৰজ মিট্টালে এই সন্দৰ্ভত সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চললৈ প্ৰেৰণ কৰা পত্ৰৰ জৰিয়তে কয়, যে ঠাইবিশেষে উৰা বাতৰি তথা ভুৱা তথ্যৰ প্ৰচাৰ কৰা হৈছে আৰু ইয়াৰ ফলত জনসাধাৰণে অনাহকত ভিতিগ্ৰস্ত হৈ যধে-মধে ৰন্ধন গেছ্ ক্ৰয় কৰিছে। ৰাজ্যসমূহক অবৈধ মজুতকৰণ, গেছ্ যোগানত খেলিমেলি আৰু আতংক সৃষ্টি কৰিব পৰা তথ্যৰ প্ৰচাৰ কঠোৰভাৱে নিৰীক্ষণ কৰিবলৈ কোৱা হৈছে। মন্ত্ৰালয়ে লগতে সকলো শোধনাগাৰে সৰ্বোচ্চ উৎপাদন ক্ষমতাৰে কাম কৰি আছে আৰু দেশত খাৰুৱা তেল, পেট্ৰ'ল আৰু ডিজেল পৰ্যাপ্ত পৰিমাণে মজুত আছে বুলি প্ৰকাশ কৰে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে, চেন্নাই ছুপাৰ কিংছক ৫ উইকেটত পৰাস্ত কৰে। পাঞ্জাৱে ২১০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ ৪টা বলত ৫ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। প্ৰতিযোগিতাত এতিয়ালৈকে নিজৰ দুয়োখন খেলতে চেন্নাই পৰাজিত হৈছে। পাঞ্জাৱৰ হৈ অধিনায়ক শ্ৰেয়াছ আয়াৰে সৰ্বাধিক ৫০ ৰান কৰে। দলৰ হৈ ৩৯ ৰানৰ বৰঙণি আগবঢ়োৱা প্ৰিয়াংছ আৰ্যাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২০৯ ৰান সংগ্ৰহ কৰে। আয়ুষ মাহাত্ৰেই সৰ্বাধিক ৭৩ ৰান কৰে।

প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত দেলহি কেপিটেলছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। ইপিনে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত গুজৰাট টাইটানছ আৰু ৰাজস্থান ৰয়েলছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০

নিৰ্বাচনলৈ মাথোঁ কেইটামান দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ ব্যাপক প্ৰচাৰ অভিযান, কেইবাদফীয়া প্ৰতিশ্ৰুতিৰে শাসক-বিৰোধীৰ তাৰকা প্ৰচাৰকক লৈ নিৰ্বাচনী যুঁজত অৱতীৰ্ণ, অসমলৈ প্ৰতিদিনে পৰ্যাপ্ত পৰিমাণৰ ৰন্ধন গেছৰ চিলিণ্ডাৰৰ যোগান আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

উজনি অসমৰ দৰে নামনি অসমৰ বিটিচিৰ অন্তৰ্গত ১৫ টা বিধানসভা সমষ্টিক লৈ শাসনাধিষ্ঠিত বিজেপিৰ ৰাজনৈতিক সমীকৰণত সম্প্ৰতি আউল লগা পৰিলক্ষিত হৈছে বুলি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি প্ৰকাশ কৰিছে।

**দৈনিক জনমভূমি** কাকতে দুধনৈ আৰু পলাশবাৰীত নিৰ্বাচনী সভাত অংশ লৈ বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে এইবাৰ বিজেপিৰ মিত্ৰজোঁটে ৯০ খনৰো অধিক আসন পাব বুলি মন্তব্য কৰাৰ এটা বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। প্ৰচাৰ অভিযানত শ্ৰী শ্বাহে ৰাজ্যত পুনৰবাৰ বিজেপি চৰকাৰ হ'লে বহু বিবাহ ৰোধ, বাংলাদেশীমুক্ত অসম আদিকে ধৰি বিভিন্ন প্ৰতিশ্ৰুতি দিয়াৰ আন এটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে মুখ্য বাতৰিৰ স্থান দিছে। একেটা বাতৰিকে **অসমীয়া খবৰ** কাকতেও প্ৰকাশ কৰিছে। বৰাকত মুখ্যমন্ত্ৰীৰ প্ৰচাৰ অভিযানৰ বাতৰিটো **আমাৰ অসম** কাকতে আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথৰ প্ৰচাৰ অভিযানৰ বাতৰিটো **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বিধানসভা নিৰ্বাচনৰ সমষ্টি অনুসৰি প্ৰাৰ্থীৰ তালিকা বিশ্লেষণৰ পাছত ৰাজ্যৰ

৮৩ টা বিধানসভা সমষ্টিত এগৰাকীও মুছলমান প্ৰাৰ্থী নথকাৰ বাতৰিটোক **দৈনিক অসম** কাকতে মুখ্য বাতৰিৰ স্থান দিছে। দেৰগাঁও, সৰুপথাৰ আৰু নলবাৰীৰ বৰক্ষেত্ৰীত জনসাধাৰণক সাক্ষী কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে প্ৰচাৰ অভিযানত নিচামুক্ত অসম গঢ়াৰ সংকল্প লোৱাৰ এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে।

পশ্চিম এছিয়াৰ পৰিস্থিতিৰ অপৰিৱৰ্তিত, মধ্যপ্ৰাচ্যৰ কেইবাঠাইকো লক্ষ্য কৰি ইৰানৰ আক্ৰমণ, প্ৰত্যুত্তৰত আমেৰিকা আৰু ইজৰাইলৰ বিমান আক্ৰমণৰ বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

0000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনি অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মিজোৰাম, অৰুণাচল, নাগালেণ্ড, মণিপুৰৰ, মেঘালয় আৰু ত্ৰিপুৰাৰ কিছু কিছু অঞ্চলত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

00000000

**সমাপ্ত**